আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, JANUARY 28, 2024>> 10 PM | www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৩১ | Guwahati, Assam ।। মূল্যঃ এটকা



## 'বিশ্বাসঘাটক, সুবিধাবাদী দীপাংক নাথ'ৰ মুখত মূত্ৰ বিসৰ্জন ৰাজু ফুকনৰ!

■ বিতং বাতৰি ভিতৰৰ পৃষ্ঠাত



# এই পদত্যাগ, এই শপত গ্ৰহণ

বন্ধ বুলি কৈয়ো নীতিশৰ বাবে অমিত শ্বাহে খুলি দিলে বিজেপিৰ দুৱাৰ

পাটনা, ২৮ জানুৱাৰীঃ **আকৌ পট পৰিৱৰ্তন ঘটিল বিহাৰ ৰাজনীতিত।** বিগত কেইবাদিনো ধৰি চলি অহা আশংকাক বাস্তৱ প্ৰমাণিত কৰি আজি নৰমবাৰৰ বাবে বিহাৰৰ মুখ্যমন্ত্ৰীৰূপে শপত ল'লে নীতিশ কুমাৰে। লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিত নিজেই বিৰোধীৰ বাবে ভেটি স্থাপন কৰি অৱশেষত সেই ভেটিয়েই খহাই পুনৰ এবাৰ এন ডি এৰ সৈতে হাত মিলাই মুখ্যমন্ত্ৰীৰ আসনত বহে নীতিশ কুমাৰে। দেওবাৰে পুৱা তেওঁ ৰাজভৱনত উপস্থিত হৈ ৰাজ্যপালৰ হাতত পদত্যাগ পত্ৰ অৰ্পণ কৰে। ইয়াৰ পিছতে সন্ধিয়া বিজেপিৰ সমৰ্থনত নৰমবাৰৰ শেষাংশ ২ পৃষ্ঠাত

## নৃত্য-নাটিকাৰ যৱনিকা! কংগ্ৰেছক দিলে বাই বাই টা টা

# বিজেপিলৈ বিস্মিতা-অংকিতা

## গেৰুৱা দলত জাতীয়তাবাদীৰ ভিৰ






ই-সংবাদ, ২৮ জানুৱাৰীঃ সকলো জল্পনা-কল্পনাৰ অন্তত আজি আছুৰ কেইবাগৰাকী শীৰ্ষ নেতাই বিজেপিত যোগদান শেষাংশ ৩ পৃষ্ঠাত



প্ৰথম পৃষ্ঠাৰ পৰা...

# এই পদত্যাগ, এই শপত গ্ৰহণ

বাবে মুখ্যমন্ত্ৰী পদৰ শপত লয়। নীতিশ কুমাৰৰ উপৰিও সন্ধিয়াৰ শপত গ্ৰহণ অনুষ্ঠানত সম্ৰাট চৌধুৰী আৰু বিজয় কুমাৰ সিনহাই উপ-মুখ্যমন্ত্ৰীৰূপে শপত গ্ৰহণ কৰে। নীতিশ কুমাৰৰ শপত গ্ৰহণৰ পিছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক্সযোগে তেওঁক অভিনন্দন জ্ঞাপন কৰি লিখে, 'বিহাৰত গঠন হোৱা এন ডি এ চৰকাৰে ৰাজ্যখনৰ উন্নয়ন আৰু জনসাধাৰণৰ আকাংক্ষা পূৰণৰ বাবে কোনো ধৰণৰ আপোচ নকৰে। মই নীতিশ কুমাৰ জীক মুখ্যমন্ত্ৰী হিচাপে আৰু সম্ৰাট চৌধুৰী জী আৰু বিজয় সিনহা জীক উপ-মুখ্যমন্ত্ৰী হিচাপে শপত লোৱাৰ বাবে অভিনন্দন জনাইছো। মোৰ বিশ্বাস এই দলটোৱে বিহাৰৰ মোৰ পৰিয়ালৰ সদস্যসকলক সম্পূৰ্ণ নিষ্ঠাৰে সেৱা আগবঢ়াব।'' ইফালে শপত গ্ৰহণৰ ঠিক পূৰ্বে ৰাজভৱনৰ বাহিৰত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত নীতিশ কুমাৰে কয়, "মই আজি মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰিছো আৰু ৰাজ্যপালক এই চৰকাৰৰ অন্ত পেলাবলৈ কৈছো। দলৰ নেতাসকলে মোক পৰামৰ্শ দি আছিল। তেওঁলোকৰ পৰামৰ্শ মানি মই পদত্যাগ কৰিছো। পৰিস্থিতি ভাল নাছিল। গতিকে, আমি সম্পৰ্ক ছেদ কৰিবলগীয়া হ'ল।" উল্লেখ্য যে, ঘটনাই পক্ষ সলনি কৰাৰ বাবে কুখ্যাত নীতিশ কুমাৰে পূৰ্বেও একাধিক বাৰ মিত্ৰতা সলনি কৰিছিল কেৱল ক্ষমতাত অধিষ্ঠিত হৈ থকাৰ বাবেই। ২০১৪ৰ লোকসভা নিৰ্বাচৰ এবছৰ পূৰ্বে অৰ্থাৎ ২০১৩ চনত তেওঁ এন ডি এৰ পৰা পৃথক হৈ ৰাষ্ট্ৰীয় জনতা দল আৰু কংগ্ৰেছৰ সৈতে মিলি মহামিত্ৰজোঁট গঠন কৰিছিল। কিন্তু ইয়াৰ মাত্ৰ ৪ বছৰ পিছতে তেওঁ পুনৰ এই মহা মিত্ৰজোঁটৰ পৰা পৃথক হয় আৰু পুনৰ এবাৰ বিজেপি নেতৃত্বৰ এন ডি এৰ সৈতে চামিল হৈ চৰকাৰ গঠন কৰে। কিন্তু ডেৰ বছৰ পূৰ্বে আকৌ এবাৰ তেওঁ বিজেপিৰ সৈতে সম্পৰ্ক ছেদ কৰি কংগ্ৰেছ আৰু আৰ জে ডিৰ সৈতে মিলি শাসনৰ গাদীত বহাৰ পিছত মাত্ৰ ১৭ মাহ পিছতে পুনৰ এবাৰ বিজেপি নেতৃত্বাধীন এনডি এৰ শৰণাপন্ন হয় নীতিশ কুমাৰ। বৰ্তমান ২৪৩খন আসন থকাঠিক বিহাৰত নীতিশ কুমাৰৰ জে ডি ইউৰ হাতত ৪৫ খন আসন, বিজেপিৰ ওচৰত ৭৮ খন থকাৰ বিপৰীতে আৰ জে ডিৰ হাতত ৭৯ খন আসন আৰু কংগ্ৰেছৰ হাতত আছে ১৯ খন আসন। ইয়াৰ বাহিৰেও আনহাতে, চিপিআই (এম-এল)ৰ ১২খন, চিপিআই (এম) আৰু চিপিআই, হিন্দুস্তানী আৱাম মৰ্চাৰ দুখনকৈ আসন (চেকুলাৰ)ৰ চাৰিখন আসন, আৰু এআইএমআইএমৰ এখন থকাৰ লগতে এজন নিৰ্দলীয় বিধায়ক আছে। আনহাতে নীতিশ কুমাৰে মহামিত্ৰজোঁট এৰি পুনৰ এন ডি এত চামিল হোৱাৰ প্ৰাকমুহূৰ্তত প্ৰথমবাৰৰ বাবে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে আৰ জে ডিৰ নেতা তেজস্বী যাদৱে। তেওঁ কয়, "এতিয়াও খেল বাকী আছে, মই যি কওঁ, সেয়া কৰি দেখুৱাওঁ। আপুনি লিখি ৰাখক- ২০২৪ত জে ডি ইউ নিঃশেষ হৈ যাব।'' তেজস্বী যাদৱে নীতিশ কুমাৰক লৈ ব্যক্তিগত টিপ্পনী কৰাৰ পৰা বিৰত থাকিব বুলি উল্লেখ কৰি লগতে কয়, "পূৰ্বেও ১৭ বছৰ এনডিএৰ চৰকাৰ আছিল। কিন্তু যোৱা ১৭ মাহত আমাৰ চৰকাৰত যি উন্নয়ন হৈছে, সেয়া গোটেই ভাৰততে হোৱা নাই। আমি জে ডি ইউক শিক্ষা, স্বাস্থ্য আদি ক্ষেত্ৰত সংশোধন কৰিবলৈ হেঁচা দিছিলো। জনতাই সকলো জানে। গতিকে নিশ্চিতভাৱে জনতাই এইখন চৰকাৰকো উফৰাই পেলাব।'' প্ৰণিধানযোগ্য যে, লোকসভা নিৰ্বাচনত বিজেপিক প্ৰতিহত কৰিবলৈ নীতিশ কুমাৰৰ তৎপৰতাতে গঠন কৰা হৈছিল বিৰোধী ঐক্যৰ ইণ্ডিয়া মিত্ৰজোঁট। কিন্তু নিৰ্বাচনৰ ঠিক পূৰ্বে প্ৰধান চেহেৰা, আসনৰ ভাগ বতৰাক লৈ বিৰোধী ঐক্যৰ মাজত বৃদ্ধি পায় অসন্তুষ্টিয়ে। ইতিমধ্যে তৃণমূল কংগ্ৰেছ, আম আদমী পাৰ্টীয়ে অকলে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব বুলি ঘোষণা কৰি ইণ্ডিয়া মিত্ৰজোঁটৰ পৰা ফালৰি কাটিছে। তাৰ মাজতে নীতিশ কুমাৰেও মিত্ৰজোঁট এৰি পুনৰ বিজেপিৰ শৰণাপন্ন হোৱাত এতিয়া বিৰোধীৰ মহামিত্ৰজোঁট সম্পূৰ্ণৰূপে নসাৎ হোৱাৰ সম্ভাৱনা স্পষ্ট হৈ পৰিছে।



নৱমবাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ নীতিশ কুমাৰৰ

প্ৰথম পৃষ্ঠাৰ পৰা...

## বিজেপিলৈ বিস্মিতা-অংকিতা

কাৰ্যসূচী অনুষ্ঠিত হয়। এই যোগদান কাৰ্যসূচীত আছুৰ প্ৰাক্তন সভাপতি দীপাংক কুমাৰ নাথ, উপদেষ্টা প্ৰকাশ দাস, প্ৰাক্তন বিধায়িকা বিস্মিতা গগৈ, প্ৰাক্তন কংগ্ৰেছ নেত্ৰী অংকিতা দত্তই বিজেপিত যোগদান কৰে। আজি দিনৰ প্ৰায় আঢ়ৈ বজাত বৃহৎ সংখ্যক লোকে জয় শ্ৰীৰাম শ্ল’গান দি প্ৰাক্তন আছু আৰু কংগ্ৰেছীসকলক আদৰণি জনায়। দীপাংক কুমাৰ নাথ, প্ৰকাশ দাসেও খোদ জয় শ্ৰীৰাম শ্ল’গান ধ্বনি দি বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ত প্ৰৱেশ কৰে। তাৰ পাছতে বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতা, মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, পীযুষ হাজৰিকা, বিধায়ক দিগন্ত কলিতা, মানৱ ডেকাৰ উপস্থিতিত ৰাজ্যিক কাৰ্যালয়ত বিজেপিৰ চিম্বলযুক্ত টুপী আৰু গলবস্ত্ৰ পিন্ধি বিজেপিত যোগদান কৰে প্ৰাক্তন আছু আৰু কংগ্ৰেছীয়ে। প্ৰকাশ দাস আৰু দীপাংক কুমাৰ নাথেই নহয়, আছুৰ প্ৰাক্তন বিত্ত সম্পাদক মিলনজ্যোতি ৰায়, সাংগঠনিক সম্পাদক হিমান বৰ্মন, প্ৰচাৰ সম্পাদক জিতুমণি ভূঞাই আজি বিজেপিত যোগদান কৰে। চৰ্চা মতে, দীপাংক কুমাৰ নাথৰ ফৈদত থকা আছুৰ আটাইকেইজন নেতাই আছুৰ পৰা ওলাই আহি বিজেপিত যোগদান কৰিছে। দীপাংক কুমাৰ নাথে আছুৰ মজিয়াত এইসকল নেতাৰ সৈতে বিসম্বাদ কৰি আছিল বুলি অভিযোগ উত্থাপন হৈ আহিছিল। দীপাংক কুমাৰ নাথে বিজেপিত যোগদান কৰি আছুৰ প্ৰাক্তন নেতা-কৰ্মীসকলে বিভিন্ন দলত যোগদান কৰিছে। ময়ো তেনে এটা সিদ্ধান্ত ল’লো বুলি কয়। দীপাংক কুমাৰ নাথে আৰু কয় যে ৮৬০ শ্বহীদৰ কেঁচা তেজৰ সৈতে যিসকল জড়িত তেনে সংগঠনৰ সৈতে জড়িত হ’ব নোৱাৰিলো। সেয়েহে এনে এটা সিদ্ধান্ত ল’ব বাধ্য হ’লো। ‘কা’ সন্দৰ্ভত প্ৰশ্ন কৰাত উত্তৰ দি কয় “‘কা’ৰ গোচৰ মহামান্য আদালতত চলি আছে। গোচৰত যি ৰায় দি সেই ৰায় আমি মানি চলিব লাগিব। আনহাতে ‘কা’ক লৈ বিজেপিৰ যি স্থিতি হ’ব সেই স্থিতিয়ে দীপাংক নাথৰ স্থিতি হ’ব বুলি কয়। বিভিন্ন জনে দীপাংক নাথক গাড্ডাৰ আখ্যা দিয়াত নাথে কয় “জাতিৰ গাড্ডাৰ কোন, সেই কথা সময়ে আৰু ৰাইজে নিৰ্ধাৰণ কৰিব। আমি আন্দোলন কৰি থকাৰ সময়তে নিৰ্বাচনত ৰাইজে কি মতদান কৰিছে, তাৰ ভিত্তিত মই এই সিদ্ধান্ত লৈছো। ৰাইজে নিৰ্বাচনত যি সিদ্ধান্ত দিছে সেই সিদ্ধান্তকে আমি লৈছো। চৰকাৰক পূৰ্বৰে পৰা লক্ষ্য কৰি চালি-জাৰি চাই এই দলত যোগদান কৰা বুলি স্পষ্ট কৰে নাথে। কংগ্ৰেছ নেত্ৰী তথা প্ৰাক্তন বিধায়িকা বিস্মিতা গগৈয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কাম-কাজত আকৰ্ষিত হৈ বিজেপিত যোগদান কৰা বুলি উল্লেখ কৰে। ইপিনে অংকিতা দত্তই বিজেপিত যোগদান কৰি কয় যে আমাৰ দেউতাৰ দিনত যিটো কংগ্ৰেছ আছিল আজি আৰু সেই কংগ্ৰেছ নাই বুলি কয়। অংকিতা দত্তই ৰাহুল গান্ধীক আক্ৰমণ কৰি কয় যে আজি কংগ্ৰেছৰ এটা আইডলজী যে ৰাহুল গান্ধীক আকৌ ৰি-ব্ৰেণ্ড কৰে। ভাৰত জোড়ো যাত্ৰা, ভাৰত জোড়ো ন্যায় যাত্ৰা যদি চাই তেন্তে দেখিব ৰাহুল গান্ধীক কেনেকৈ ব্ৰেণ্ড লিডাৰ বনাব খুজিছে। মহাত্মা গান্ধীৰ আইডলী কংগ্ৰেছ দলত নাই। ১০ মাহ ধৰি মই ন্যায় পাম বুলি আশা কৰি আছিলো। শিৱসাগৰত ৰাহুল গান্ধীয়ে আমাৰ সৈতে লগ ধৰিব বুলি ভাবিছিলো। পুলিং এজেণ্ট সেই সময়ত মোৰ ওচৰত বহি আছিল। আমাক লগ নধৰি গাঞ্জা ব্যৱসায় কৰা মানুহ ৰাহুল গান্ধীৰ লগত ঘূৰি আছিল। সেই কাৰণে সমষ্টিৰ মানুহে কোৱাত মই এই সিদ্ধান্ত ল’লো। ইফালে, নাগৰিত্ব সংশোধনী বিধেয়ক বিৰোধী আন্দোলনৰ সময়ত বিজেপিৰ নেতৃত্বক ডিঙিৰ শিৰ ফুলাই গালি দিয়া দীপাংক কুমাৰ নাথে হঠাতে বৰণ সলাই ৰাষ্ট্ৰীয় ৰাজনীতিৰ প্ৰতি আকৰ্ষিত হয়। ৰাজনীতিক শেষ আশ্ৰয়স্থল কৰি বাকী বাকী সময়ছোৱাক সমৃদ্ধ কৰিবলৈ দীপাংক কুমাৰ নাথে বিজেপিত যোগদান কৰে। জাতীয়তাবাদী চোলাটো খুলি আজি ৰাষ্ট্ৰীয়তাবাদী হৈ পৰিল আছু নেতা দীপাংক নাথ।

# দীপাংক নাথ'ৰ মুখত মূত্ৰ বিসৰ্জন প্ৰাক্তন আছু নেতাৰ

**ই-সংবাদ, ২৮জানুৱাৰীঃ** আছুৰ প্ৰাক্তন সভাপতি দীপাংক কুমাৰ নাথে বিজেপিত যোগদান কৰাৰ পাছতে সমগ্ৰ ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জাতীয়তাবাদৰ আদৰ্শৰে লালিত পালিত হৈ হঠাতে ৰাষ্ট্ৰীয়তাবাদৰ প্ৰতি মোহ জন্মা দীপাংক নাথৰ এই ৰাজনৈতিক সিদ্ধান্তক লৈ আছুৰ কৰ্মীসকলে ৰাজ্যজুৰি সাব্যস্ত কৰিছে প্ৰতিবাদ। ইয়াৰ মাজতে দীপাংক নাথৰ একালৰ সতীৰ্থ তথা বৰ্তমান অসম জাতীয় পৰিষদৰ নেতা ৰাজু ফুকনে অতি কঠোৰভাৱে কটাক্ষ কৰে। ৰাজু ফুকনে দীপাংক নাথৰ পুত্তলিকাত মূত্ৰ বিসৰ্জন কৰি ক্ষোভেৰে কয়- "এয়া দীপাংক নাথ। মই এওৰ মুখত প্ৰস্ৰাৱ কৰিছো, কাৰন তেওৰ কথাৰ কোনো মূল্য নাই। মই তেওৰ মুখত পেটিকোটৰ ৰচীৰে বান্ধি দিছো। বিশ্বাসঘাতক দীপাংক নাথৰ আচল মুখখন মই ৰাইজক চিনিবলৈ আহ্বান জনাইছো। তেওঁ এদিন মোক আৰু চিত্তৰঞ্জন বসুমতাৰীক অসম জাতীয় পৰিষদৰ দায়িত্ব লবলৈ কৈছিল আৰু তেও কিছুদিনৰ পিছত যোগদান কৰিম বুলি কথা দিছিল। আজি তেও এই সুবিধাবাদী পথ লৈছে, গতিকে মই তেওৰ মুখত প্ৰস্ৰাৱ কৰিছো।" উল্লেখ্য যে, দেওবাৰে দীপাংক কুমাৰ নাথৰ সহিতে আছুৰ প্ৰাক্তন উপদেষ্টা প্ৰকাশ দাসেও যোগদান কৰে বিজেপিত। কংগ্ৰেছৰ অংকিতা দত্ত আৰু প্ৰাক্তন মন্ত্ৰী বিস্মিতা গগৈয়েও প্ৰদেশ বিজেপিৰ কাৰ্যালয়ত গেৰুৱা বসন পৰিধান কৰে।

# দীপাংক কুমাৰ নাথ ‘গাড্ডাৰ’ আখ্যা দিলে আছুৱে!

**ই-সংবাদ, ২৮ জানুৱাৰীঃ** আছুৰ প্ৰাক্তন সভাপতি দীপাংক কুমাৰ নাথে বিজেপিত যোগদান কৰাত কেৱল আছুৰ মঞ্চতে নহয় অসমৰ জাতীয়াতবাদী মনৰ লোকৰ মনত সন্দেহৰ বাতাবৰণ দেখা গৈছে। বিভিন্ন লোকে সামাজিক মাধ্যম যোগে আছুৰ আদৰ্শক তীব্ৰ সমালোচনা কৰিছে। আছুক জনমানসত জাতীয়তাবাদৰ পাঠশালা ৰূপে গণ্য কৰা হয় যদিও আছুৰ নেতৃত্বই কেৱল ৰাষ্ট্ৰীয় ৰাজনীতিৰ প্ৰতি ধাৱমান হৈ আহিছে। পূৰ্বে আছুৰ নেতাই স্বেচ্ছাই আছুৰ মজিয়া ত্যাগ কৰি আঞ্চলিক দলত যোগদান কৰিছিল। কিন্তু শেহতীয়াকৈ সেই পৰম্পৰা ত্যাগ কৰি এতিয়াৰ আছুৰ নেতাই ৰাষ্ট্ৰীয় ৰাজনীতিলৈ ধাৱমান হোৱাৰ বিষয়টোক অসমৰ মানুহে সহজে ল’ব পৰা নাই। পুনৰ আছুৰ প্ৰাক্তন সভাপতিসহ কেইবাগৰাকী নেতাই বিজেপিত যোগদান কৰাত আছুৰ মঞ্চত জাতীয়তাবাদৰ ভাষণ দিয়া নেতাসকলে কিয় ক্ষমতাৰ খকত বলিয়া হয় বুলি প্ৰশ্ন উঠিছে? বাৰে বাৰে এনে কৰাৰ ফলত আছুৰ নেতৃত্ব প্ৰশ্নৰ সন্মুখীন হৈছে। ‘কা’ আন্দোলক নেতৃত্ব দিয়া দীপাংক কুমাৰ নাথে বিজেপিত যোগদান কৰাত সদৌ অসম ছাত্ৰ সন্থাই খোদ দীপাংক কুমাৰ নাথক আক্ৰমণ কৰিবলৈ বাধ্য হৈছে। আছুৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই দীপাংক কুমাৰ নাথক ‘গাড্ডাৰ’ আখ্যা দিছে আৰু আছু অবিহনে দীপাংক কুমাৰ নাথ বিৰাট ডাঙৰ শূন্য বুলি অভিহিত কৰিছে। দীপাংক কুমাৰ নাথে বিজেপিত যোগদান কৰাত ছাত্ৰ সন্থাৰ পৰিয়াল মৰ্মাহত। এয়া লজ্জাজনক কাম। জাতিৰ কথা বাদ দিয়ক, ছাত্ৰ সন্থাৰ কৰ্মীয়ে এই আশা কৰা নাছিল বুলি ক্ষোভ জাহিৰ কৰে বৰুৱাই। ‘কা’ আন্দোলনৰ নেতৃত্ব দি ৫ যুৱকক শ্বহীদ কৰিলে। শ্বহীদৰ পৰিয়াল, শ্বহীদৰ আত্মা, জাতিয়ে অভিশাপ দিব। দীপাংক কুমাৰ নাথে ছাত্ৰ সন্থাৰ মজিয়াত আলোচনা কৰি ৰাজনৈতিক দলত যোগদান কৰাৰ কথা হৈ আছিল। এই কথাৰ উত্তৰ দি শংকৰজ্যোতি বৰুৱাই কয় যে দীপাংক কুমাৰ নাথে আছু নেতৃত্বৰে সৈতে আলোচনা কৰা নাই। ব্যক্তিগত জীৱনত কি কৰিব সেই বিষয়ে ছাত্ৰ সন্থাৰ কোনো সদস্যৰ সৈতে আলোচনা কৰা নাই। সাহস আছে যদি কওঁক আলোচনা কৰিছো বুলি। আলোচনা কৰিলে আমি ৰাজনীতিয়েই কৰিবলৈ বাধা কৰিলোহেতেন, কিয়নো তেওঁৰ ৰাজনীতি কৰাৰ বয়স নাই। আজি ছাত্ৰ সন্থাৰ সত্তাক লৈ প্ৰশ্ন উত্থাপন হৈছে। ৰাইজ, সাংবাদিকে প্ৰশ্ন তুলিছে। ৰাইজে আছুক বিশ্বাসঘাটকৰ দৃষ্টিৰে চাইছে। কাৰণ এইগৰাকী নেতাই যি বিশ্বাসঘাটকতা কৰিছে, এয়াই ইতিহাসৰ শ্ৰেষ্ঠ বিশ্বাসঘাটকতা। দীপাংক কুমাৰ নাথে 'কা' আন্দোলনৰ নেতৃত্ব লোৱাৰ কথা সুঁৱৰি শংকৰজ্যোতি বৰুৱাই কয় যে আমি তেতিয়া জিলা ছাত্ৰ সন্থাত আছিলো। গোৱালপাৰাত বিকল্প দল কৰিব লাগে বুলি কৈছিল এইজন দীপাংক কুমাৰ নাথে।

# আকৌ ডিব্ৰুগড়ত মোহন ভাগৱত


**ই-সংবাদ, ২৮ জানুৱাৰীঃ** লোকসভা নিৰ্বাচনৰ পূৰ্বে বিগত দুটা মাহৰ ভিতৰত দ্বিতীয়বাৰ অসমৰ ভ্ৰমণ কৰিছে আৰএছএছৰ মুৰব্বী মোহন ভাগৱতে। পুনৰ উজনি অসমৰ ডিব্ৰুগড় জিলা ভ্ৰমণ কৰি শিক্ষা ভেলী স্কুলত অনুষ্ঠিত কাৰ্যসূচীত অংশ লয়। অষ্টম ত্ৰিবাৰ্ষিক আন্তঃৰাষ্ট্ৰীয় সন্মিলনত ভাষণ প্ৰদান কৰি আৰএছএছৰ মুৰব্বীয়ে সাংস্কৃতিক ঐতিহ্য আৰু থলুৱাৰ ঐতিহ্য সংৰক্ষণত গুৰুত্ব প্ৰদান কৰে। থলুৱা জনগোষ্ঠীসমূহে সন্মুখীন হোৱা প্ৰত্যাহ্বান আৰু মিছনেৰী কাৰ্যকলাপক লৈ চিন্তা ব্যক্ত কৰি ভাগৱতে কয় যে বিৰচা মুণ্ডা আৰু মহাত্মা গান্ধীৰ দৰে ব্যক্তিৰ পৰা আমি অনুপ্ৰেৰণা লাভ কৰা উচিত। থলুৱা পৰম্পৰা, বিশ্বাস আৰু সংস্কৃতি ৰক্ষা কৰিব লাগে। অসমৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাসক প্ৰশংসা কৰি বহিৰাগত প্ৰভাৱৰ পৰা মুক্ত হৈ থলুৱা জনগোষ্ঠীসমূহে নিজৰ কৃষ্টি-সংস্কৃতি ৰক্ষাৰ বাবে লৈ অহা পদক্ষেপক সমৰ্থন কৰে। মোহন ভাগৱতে সমাজে সন্মুখীন হোৱা প্ৰত্যাহ্বান পাছতো প্ৰাচীন পৰম্পৰা সংৰক্ষণ কৰাটো জৰুৰী বুলি কয়।

# ১২ খনত জয়ী হ’ব বিজেপিঃ পীয়ুষ

**ই-সংবাদ, ২৮ জানুৱাৰীঃ** আজি আছু আৰু কংগ্ৰেছৰ কেইবাজনো নেতাই বিজেপিত যোগদান কৰাৰ পাছতে বিৰোধী দলক আক্ৰমণৰ লক্ষ্য কৰি লৈছে অসম বিজেপিৰ শীৰ্ষনেতাসকলে। যোগদান কাৰ্যসূচী সমাপ্ত হোৱাৰ পাছতে মন্ত্ৰী পীয়ুষ হাজৰিকাই অসমত বিৰোধী দলৰ অস্তিত্ব নোহোৱা বুলি দাবী কৰিছে। বিৰোধী দলৰ অস্তিত্ব সমাপ্ত হোৱাত বিভিন্ন দল-সংগঠনৰ নেতাই বিজেপিত যোগদান কৰা বুলি দাবী কৰিছে। আজি সাংবাদিকৰে মুখামুখি হৈ পীয়ুষ হাদৰিকাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সুশাসনত ৰাইজ আকৰ্ষিত। ৰাইজ আকৰ্ষিত হোৱাত বাকী দলৰ নেতাসকল বিজেপিৰ প্ৰতি আকৰ্ষিত হৈছে আৰু বিজেপিলৈ আগমণ ঘটিছে। বিজেপিৰ প্ৰতি ৰাইজৰ আস্থা বৃদ্ধি পোৱাত দেশত আন দলৰ অস্তিত্ব নোহোৱা হোৱা বুলি দাবী কৰি পীয়ুষ হাজৰিকাই কয় যে মোদী তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হ’ব। লোকসভা নিৰ্বাচনত বিজেপিয়ে অসমত ১২ খন আসনত জয়ী হোৱাৰ দাবী কৰিছে মন্ত্ৰী হাজৰিকাই।

# আলফাৰ শিবিৰত আকৌ আৰক্ষীৰ চোৰাংচোৱা!





প্ৰেছ বিজ্ঞপ্তি

নং-০১৪/২০২৪

**গুৱাহাটী, ২৮ জানুৱাৰী ঃ** " আলফা (স্বা) ৰ কেম্পত বন্দী আৰক্ষীৰ চোৰাংচোৱা " শীৰ্ষক এক বাতৰি কিছুসংখ্যক বৈদ্যুতীন মাধ্যমত প্ৰচাৰিত হোৱা অসম আৰক্ষীৰ মুখ্য কাৰ্য্যালয়ৰ দৃষ্টিগোচৰ হৈছে। বাতৰিটোত মানস বৰগোঁহাই নামৰ আলফা (স্বা) সদস্য এজনক অসম আৰক্ষীৰ বিশেষ শাখাৰ বিষয়া বুলি উল্লেখ কৰা হৈছে। উক্ত বক্তব্য সম্পূৰ্ণ মিথ্যা। **মানস বৰগোঁহাই** নামৰ কোনো ব্যক্তিক অসম আৰক্ষীৰ বিশেষ শাখাত ২০২১ বৰ্ষত মকৰল কৰা হোৱা নাই আৰু অসম আৰক্ষীৰ ফালৰ পৰা তেনে কোনো ব্যক্তিক আলফা (স্বা) কেম্পলৈ পঠোৱা হোৱা নাই। অসম আৰক্ষীৰ সম্পৰ্কে বাতৰিটোত পৰিবেশিত সকলোবোৰ কথা সম্পূৰ্ণ মিছা, বিভ্ৰান্তিকৰ আৰু উদ্দেশ্যপ্ৰণোদিত।

**চি পি আৰ অ'**
**অসম আৰক্ষী**

**ই-সংবাদ, ২৮ জানুৱাৰীঃ** অসম আৰক্ষীয়ে আলফা স্বাধীনৰ শিবিৰলৈ চোৰাংচোৱা প্ৰেৰণ কৰাৰ অভিযোগ উত্থাপন কৰিছে খোদ আলফা স্বাধীনে৷ এজন যুৱকক বন্দী কৰা ৰেকৰ্ড কৰা এটা ভিডিঅ' প্ৰকাশ কৰি আলফা স্বাধীনে এই দাবী কৰিছে৷ ইতিমধ্যে এই ভিডিঅ' প্ৰচাৰ হোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে৷ আলফা স্বাধীনে ম্যানমাৰৰ শিবিৰত চোৰাংচোৱাগিৰি কৰাৰ সন্দেহত বন্দী কৰা যুৱকজন মানস বৰগোহাঁই ওৰফে মুকুট অসম বুলি জানিব পৰা গৈছে৷ আলফা স্বাধীনে বন্দী কৰা মানস বৰগোহাঁই অসম আৰক্ষীৰ চোৰাংচোৱা বিষয়া। চোৰাংচোৱাগিৰি কৰাৰ লক্ষ্যৰে আৰক্ষী বিষয়াজনে আলফা স্বাধীনত যোগ দিয়াৰ নাটক ৰচনা কৰি ম্যানমাৰৰ শিবিৰলৈ গৈছিল৷ ইউটিউবত শ্বেয়াৰ কৰা ভিডিঅ'টোত আলফা স্বাধীনৰ সংবিধান 'উলংঘা' কৰাৰ বাবে গোলাঘাটৰ যুৱকজনক বন্দী কৰাৰ কথা উল্লেখ কৰা দেখা গৈছে৷ বন্দীত্বৰ সময় পাৰ কৰা মানসে ভিডিঅ' বাৰ্তাৰ জৰিয়তে স্বীকাৰ কৰে যে অসম আৰক্ষীৰ কৰ্তৃপক্ষই আলফা স্বাধীনক লৈ চোৰাংচোৱা কৰিবলৈ পঠিয়াইছিল। আলফাত যোগদান কৰাৰ আঁৰত কোনো জাতীয়তাবোধ নাছিল বুলি কয়৷ বিশেষ কোড নম্বৰ ব্যৱহাৰ কৰিবলৈ দিয়া হৈছিল৷ বিপদত পৰিলে সহায় কৰিব বুলি কোৱা হৈছিল৷ যুৱকজনৰ সৈতে নগাঁৰৰ চয়ানিকা দাস, কাবেৰী, গোলাঘাটৰ অংকিতা, চৰাইদেউৰ ঋতুৰাজ বসন্ত, মেৰাপানীৰ নোমল, বিতুপন নামৰ যুৱকো গৈছিল৷ বিশেষকৈ বায়মেট্ৰিকৰ প্ৰশিক্ষণ দিয়া হৈছিল৷ যাৰ দ্বাৰা আলফাৰ ব্যৱস্থা ধ্বংস কৰিব পাৰি৷ ২০২১ চনৰ পৰা অসম আৰক্ষীৰ বিশেষ শাখাৰ সৈতে জড়িত থাকি আলফাৰ কাৰ্যকলাপ নিৰীক্ষণ আৰু অভিযানত জড়িত থকাৰ কথা প্ৰকাশ কৰিছে মানসে। স্বীকাৰোক্তিমূলক ভিডিঅ'ত কয় যে মই ২০২১ চনৰ পৰা অসম আৰক্ষীৰ বিশেষ শাখাৰ উপ-পৰিদৰ্শক হিচাপে কাম কৰি আছো। মোৰ আইডি নম্বৰ হৈছে – IG8371963421। এই আইডি নম্বৰৰ জৰিয়তে পৰীক্ষা তেওঁৰ তথ্য চাব পৰা যাব বুলি উল্লেখ কৰিছে। ২০২১ চনত বিশেষ শাখাত অন্তৰ্ভুক্ত হোৱাৰ পিছৰে পৰা মোক এটা বিশেষ অভিযানত নিয়োজিত কৰি ৰখা হৈছিল। সেই অভিযানৰ জৰিয়তে, মোক আলফাৰ বিৰুদ্ধে কাম কৰিবলৈ আৰু সংগঠনটোৰ কাৰ্যকলাপৰ ওপৰত নজৰ ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছিল। এটা সময়ত সংগঠনটোৰ বিশ্বাস অৰ্জন কৰিবলৈ সক্ষম হৈছিলো বুলি স্বীকাৰ কৰে৷ মই নৱেম্বৰ মাহত আলফাত যোগদান কৰিছিলো। যোগদান কৰাটো মোৰ লক্ষ্য আছিল। এয়া সম্পূৰ্ণৰূপে এটা অভিযান আছিল। মোক মানৱ চলিহা আৰু দিগম্বৰ পাণ্ডেয়ে মিছনৰ অংশ কৰিছিল৷ তেতিয়া মোক ২০২১ চনত ডিজিপি হৈ থকা ভাস্কৰজ্যোতি মহন্ত, জি.পি সিং, পাৰ্থ সাৰথি মহন্তই মিছনৰ বাবে নিৰ্দেশনা দিছিল। আমি গুৱাহাটীৰ কাহিলীপাৰাত অভিযানৰ বাবে প্ৰশিক্ষণ লাভ কৰিছিলো। আমাৰ প্ৰাথমিক প্ৰশিক্ষণ বায়োমেট্ৰিকৰ ওপৰত দিয়া হৈছিল৷ যিকোনো পৰিৱেশ আৰু পৰিস্থিতিত আলফাই ব্যৱহাৰ কৰা ব্যৱস্থাক কেনেদৰে ধ্বংস কৰিব পাৰি তাৰ প্ৰশিক্ষণ দিয়া হৈছিল৷ ২০২৩ চনৰ নৱেম্বৰত আলফাত যোগদান কৰা বুলি দাবী কৰি এই অভিযানত নিয়োগ কৰা লোকসকলৰ নাম উল্লেখ কৰে৷ অভিযানত আঠজনীয়া দলৰ অংশ আছিল যুৱকজন। আলফা স্বাধীনৰ শীৰ্ষ নেতৃত্বই সন্দেহ কৰি যুৱকজনক বন্দী কৰি জেৰা কৰাত সকলো তথ্য ওলাই পৰা বুলি দাবী কৰা হৈছে৷ আলফা স্বাধীনে যুৱকজনৰ পৰিয়ালৰ সবিশেষ প্ৰকাশ কৰা নাই৷ চোৰাংচোৱাগিৰি, সংগঠনৰ নীতি আদৰ্শবিৰোধী কাম-কাজত লিপ্ত সদস্য বা কেডাৰক বিগত সময়ত আলফা স্বাধীনে কঠোৰতম শাস্তি প্ৰদান কৰি আহিছে। তেনে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এই যুৱকজনক মৃত্যুদণ্ড দিয়াৰ আশংকা কৰা হৈছে৷ কিন্তু যুৱকজনক কি শাস্তি দিব তাক লৈ এতিয়াও সংগঠনটোৱে আনুষ্ঠানিক বিবৃতি প্ৰকাশ কৰা নাই। ইপিনে যুৱকজনৰ দাবীক নস্যাৎ কৰিছে অসম আৰক্ষীয়ে৷ অসম আৰক্ষীয়ে এক আনুষ্ঠানিক বিবৃতি জাৰি কৰি কয়ে যে যুৱকজনে দাবী কৰাৰ দৰে অসম আৰক্ষীয়ে তেনে কোনো যুৱকক মকৰল কৰা নাই৷ তেনে কোনো যুৱকক আলফাৰ শিবিৰলৈ প্ৰেৰণ কৰা নাই৷ এই খবৰ মিছা, ভিত্তিহীন আৰু উদ্দেশ্যেপ্ৰণোদিত৷

# কোকৰাঝাৰত দিনদুপৰতে ছুৰিকাঘাত, যুৱকৰ ৰহস্যজনক মৃত্যু

## প্ৰেমিকালৈ সন্দেহৰ আঙুলি নিহতৰ পৰিয়ালৰ

**ই-সংবাদ, কোকৰাঝাৰ, ২৮ জানুৱাৰীঃ** কোকৰাঝাৰ চহৰৰ মাজমজিয়াৰ ৱাৰ্ড নং ৯ৰ এটা ভাড়াঘৰৰ সন্মুখত আজি দিন-দুপৰতে অৰ্থাৎ পুৱা ১১:৩০ মান বজাত এগৰাকী যুৱক ছুৰীৰে কৰা আক্ৰমণত গুৰুতৰভাৱে আহত অৱস্থাত উদ্ধাৰ হোৱা আৰু পৰৱৰ্তী পৰ্যায়ত মৃত্যু হোৱা ঘটনাই সদৰ চহৰখনত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ছুৰিকাঘাতত নিহত হোৱা যুৱকজনক শক্তিআশ্ৰম চোকাপাৰাৰ টিছেন চন্দ্ৰ ৰায়ৰ নুমুলীয়া সন্তান বিক্ৰম ৰায় ওৰফে জগো(২৫) বুলি চিনাক্ত কৰা হৈছে। নিহত যুৱকজন কোকৰাঝাৰৰ এখন ফাৰ্মাচীত লেবৰেটৰী সহায়ক হিচাপে কাম কৰিছিল। মৃত যুৱকজনৰ পিতৃ টিছেন চন্দ্ৰ ৰায়ে কোকৰাঝাৰ সদৰ থানাত আজি দাখিল কৰা এজাহাৰত অভিযোগ কৰা মতে ফকিৰাগ্ৰাম শাশাৰগাঁৱৰ এগৰাকী যুৱতীৰ সতে তেওঁৰ লৰা বিক্ৰম ৰায়ৰ প্ৰেমৰ সম্পৰ্ক গঢ় লৈ উঠিছিল। আইনী বিবাহ সম্পন্ন কৰিব বুলি ছোৱালীজনীয়ে কালি ল'ৰাটোৰ ভাড়াঘৰলৈ যোৱাৰ পিছত আজি ১১:৩০ মান বজাত উক্ত ভয়ানক ঘটনাটো সংঘটিত হয়। এজাহাৰত উল্লেখ কৰা মতে ছোৱালীজনীয়ে তেওঁলোকৰ আত্মীয় আৰু কেইজনমান দুৰ্হ্নতিকাৰীক লৈ ভাড়াঘৰতে পেটত তিনিবাৰকৈ ছুৰীৰে আঘাত কৰি তেওঁৰ ল'ৰাক হত্যা কৰে। পিছত আৰক্ষীয়ে খবৰ পাই ঘটনাস্থলীত উপস্থিত হৈ যুৱকজনক উদ্ধাৰ কৰি চিকিৎসালয়লৈ লৈ আহে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। উক্ত ঘটনাৰ তদন্ত কৰি ন্যায় প্ৰদান কৰিবলৈ এজাহাৰত উল্লেখ কৰিছে দুৰ্ভগীয়া পিতৃয়ে। আনহাতে আৰক্ষীৰ এক সূত্ৰই প্ৰকাশ কৰা মতে যুৱকজনে নিজেই পেটত ছুৰিকাঘাত কৰি দুৰ্ভাগ্যজনক মৃত্যুক সাবটি লৈছে। অধিক তথ্যৰ সন্ধানত মৃত যুৱকজনৰ প্ৰেয়সীক আৰক্ষীয়ে আটক কৰি মাৰাথন জেৰা অব্যাহত ৰাখিছে। ইপিনে সমগ্ৰ ঘটনাটোত ৰহস্যৰ গোন্ধ পাইছে পৰিয়ালৰ লোকে। যিগৰাকী যুৱতীক আইনী প্ৰক্ৰিয়াৰে বিবাহ সম্পাদন কৰাৰ কথা আছিল তেনে অৱস্থাত বিবাহৰ পূৰ্বে যুৱকজনে কিয় নিজৰ পেটত ছুৰিকাঘাত কৰি মৃত্যুবৰণ কৰিব তাকে লৈ বহুতো প্ৰশ্নৰ উদয় হৈছে। সমগ্ৰ ঘটনাটো ৰহস্যৰ আৱৰ্তত সোমাই পৰিছে আৰু আৰক্ষীৰ তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত হে প্ৰকৃত তথ্য পোহৰলৈ আহিব।

# ওদালগুৰিৰ ধনশ্ৰী পাৰিষদীয় সমষ্টিত ইউপিপিএলৰ যোগদান কাৰ্যসূচী

**ই-সংবাদ, ওদালগুৰি, ২৮ জানুৱাৰীঃ** ওদালগুৰি জিলাৰ ধনশ্ৰী পাৰিষদীয় সমষ্টিৰ অন্তৰ্গত ২ নং গৰৈবাৰীত আজি ইউপিপিএল দলৰ এক বিশাল যোগদান কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। উক্ত যোগদান কাৰ্যসূচীত উপস্থিত থাকে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো। দিনৰ প্ৰায়য় এক মান বজাত আৰম্ভ হোৱা যোগদান কাৰ্যসূচীত উপস্থিত থাকি নিজৰ ভাষণ প্ৰসঙ্গত বড়োৱে কয় "এটা সময়ত বিটিচিৰ পৰিৱেশ বহুত বেয়া আছিল। এই পৰিৱেশৰ পৰা মুক্ত হোৱাৰ লক্ষৰে বৰ্তমানৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মৰ নেতৃত্বত ২০১৫ চনত ইউপিপিএল জন্ম হয়। পৰৱৰ্তী সময়ত আমিও এই দলত যোগদান কৰিলো। যেতিয়া ২০২০ চনত বিটিআৰ শান্তি চুক্তি স্বাক্ষৰ হ'ল, তেতিয়াৰ পৰাই অঞ্চলটোত শান্তিৰ প্ৰতিষ্ঠা হ'ল। এই শান্তি স্থায়ীভাৱে ৰখাৰ স্বাৰ্থত আমি ৰাজনীতিত যোগদান কৰিম বুলি নভবা সকলেও ৰাজনীতিত যোগ দিলো। বিটিচি অঞ্চলত শান্তি প্ৰতিষ্ঠাৰ পাছত অঞ্চলটোৰ লোকসকলে ভয় নোহোৱাকৈ বসৱাস কৰিব পাৰিছে। ওদালগুৰি জিলাৰ ধনশ্ৰী সমষ্টিত বিগত ২০০৮ চনত বহু ভয়ংকৰ ঘটনা সংঘটিত হৈ গৈছে। ৰাইজৰ মাজত বহুতো ভয় আতংকৰ সৃষ্টি হৈছিল। কিন্তু আমাৰ চৰকাৰ অহাৰ পাছতে অঞ্চলটোৰ ৰাইজ ভয়ৰ পৰিৱৰ্তে শান্তিৰে বাস কৰিবলৈ লৈছে। বিপিএফ দলে বিভিন্ন সভাত ইউপিপিএল দলক সমালোচনা কৰি দলটো বিফল হোৱা বুলি কৈ আহিছে। কিন্তু আমি কওঁ যে ইউপিপিএল আজি সফল হৈছে। আমাৰ লক্ষ্য আছিল বিটিচিত শান্তি প্ৰতিষ্ঠা কৰা। গতিকে এশ শতাংশই শান্তি প্ৰতিষ্ঠা কৰিলো। দ্বিতীয় তৃতীয়য় লক্ষ্য হিচাপে আছিল ৰাইজক নিৰাপত্তা প্ৰদান আৰু জাতি-জনগোষ্ঠীৰ মাজত সমন্বয় সাধন। সেয়াও আমাৰ চৰকাৰে কৰি দেখুৱালে।" ইফালে পূৰ্বৰ বিপিএফ চৰকাৰে ধনৰ বিনিময়ত চাকৰি প্ৰদান কৰা বুলি কতাক্ষ কৰি বড়োৱে বৰ্তমান সময়ত কোনো ধৰণৰ ধনৰ লেনদেন অবিহনে চাকৰি লাভ কৰা বুলিও মন্তব্য কৰে। আগতে যিসকলে ধনৰ বিনিময়ত চাকৰি দিছিল তেওঁলোক কোনোদিনে সাৰি নাযায় বুলি উল্লেখ কৰি এদিন নহয় এদিন জেললৈ যাব লাগিব বুলি হুংকাৰ প্ৰদান কৰে। আজিৰ এই বিশাল যোগদান কাৰ্যসূচীত বিভিন্ন দল-সংগঠনৰ পৰা অহা লোকসহ প্ৰায় ২১৫২ গৰাকী লোকে ইউপিপিএলত যোগদান কৰা বুলি জানিবলৈ দিয়ে। আজিৰ কাৰ্যসূচীত বিটিচিৰ উপমুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰী, জিলা ইউপিপিএলৰ সভাপতি ৰবীন্দ্ৰ বসুমতাৰীৰ লগতে নেতা-কৰ্মীসকল উপস্থিত থাকে।

# শেষ পৃষ্ঠা

## অসম পৰাস্ত

**গুৱাহাটী, ২৮ জানুৱাৰীঃ** চলিত ৰঞ্জি চিজনত এতিয়ালৈকে খেলা চাৰিখন খেলৰ তিনিখনতে পৰাস্ত হৈছে অসম। বংগৰ বিৰুদ্ধে বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত খেলা মেছখনত অসমে এক ইনিংছ আৰু ১৬২ ৰানত পৰাজয় স্বীকাৰ কৰে। বংগৰ প্ৰথম ইনিংছৰ ৪০৫ ৰানৰ বিপৰীতে অসমে মেছৰ দ্বিতীয় দিনা আঠ উইকেটত ৯৯ ৰানৰ পৰা আজি খেলিবলৈ আৰম্ভ কৰি ১০৩ ৰানত ইনিংছ সামৰি ফলো-অন কৰে। উল্লেখ্য যে আঘাতৰ বাবে কালিৰ দৰে আজিও বেট কৰিব নোৱাৰিলে অসমৰ অধিনায়ক ৰিয়ান পৰাগে। অসমে দ্বিতীয় ইনিংছতো বিশেষ সুবিধা কৰিব নোৱাৰিলে। মাত্ৰ ১৪০ ৰানত আটাইকেইটা উইকেট হেৰুৱাই ১৬২ ৰানত পৰাস্ত হয়।



## চিনাৰ চেম্পিয়ন

**মেলবৰ্ণ, ২৮ জানুৱাৰীঃ** অষ্ট্ৰেলিয়ান অপেনে নতুন পুৰুষ চেম্পিয়ন লাভ কৰিছে। আজি অনুষ্ঠিত পুৰুষৰ ছিংগলছ ফাইনেলত ইটালীৰ জেনিক চিনাৰে ৰাছিয়াৰ ডানিল মেডভেডেভক পাঁচ ছেটৰ মাৰাথান মেছত ৩-৬, ৩-৬, ৬-৪, ৬-৪ আৰু ৬-৩ ব্যৱধানত পৰাস্ত কৰে। উল্লেখ্য যে চিনাৰৰ কেৰিয়াৰ এইটো প্ৰথম গ্ৰেণ্ডশ্লেম খিতাপ। ইফালে আজি অনুষ্ঠিত হোৱা মহিলাৰ ডব'লছৰ ফাইনেলত চিয়েহ চু-ৱেই আৰু এলিছ মেৰ্টেনছ যুটিয়ে জেলেপ অষ্টাপেনকো আৰু লুইডমেইলা কিচেনেকক ৬-৩, ৭-৫ ছেটত পৰাস্ত কৰি চেম্পিয়ন হয়।



■ ট্ৰফীৰ সৈতে অষ্ট্ৰেলিয়ান অপেনৰ মহিলাৰ ডাবলছৰ চেম্পিয়ন

## টম হাৰ্টলেৰ স্পিন ভেল্কিত, প্ৰথম টেষ্টত ভাৰতৰ পৰাজয়

**হায়দৰাবাদ, ২৮ জানুৱাৰীঃ** বাঁও হাতীয়া স্পিনাৰ টম হাৰ্টলেৰ ঘূৰ্ণিত তীৰতে নাও ডুবিল টীম ইণ্ডিয়াৰ। চাৰি দিনতে সামৰণি পৰিল ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখন মেছৰ টেষ্ট শৃংখলাৰ প্ৰথম টেষ্ট। ইংলেণ্ডে প্ৰথম ইনিংছত ২৪৬ ৰান কৰাৰ বিপৰীতে ভাৰতে ৪৩৬ ৰান কৰি ১৯০ ৰানৰ বৃহৎ অগ্ৰগতি লাভ কৰিছিল। ইয়াৰ পিছতে ইংলেণ্ডৰ চকৰি ঘুৰে। দ্বিতীয় ইনিংছত মিডল অৰ্ডাৰ বেটাৰ অলী পোপৰ ১৯৬ ৰানৰ সহায়ত ৪২০ ৰান কৰি চতুৰ্থ দিনা ঘৰুৱা দলটোক জয়ৰ বাবে ২৩১ ৰানৰ লক্ষ্য বান্ধি দিয়ে। ভাৰতে দ্বিতীয় ইনিংছ সুন্দৰভাৱে আৰম্ভ কৰিলেও ৬৯.২ অভাৰত ২০২ ৰান কৰি আটাইকেইটা উইকেট হেৰুৱাই ২৮ ৰানত পৰাস্ত হয়। টীম ইণ্ডিয়াৰ অধিনায়ক ৰোহিত শৰ্মাই ৩৯ ছিকৰ ভাৰত আৰু ৰবীচন্দ্ৰন অশ্বিন উভয়ে ২৮ ৰান কৰে। ইংলেণ্ডৰ দ্বিতীয় ইনিংছৰ মূল কাৰিকৰ পোপ মেছৰ শ্ৰেষ্ঠ বিবেচিত হয়।

## ১৬ বাৰৰ ব্যৰ্থতাৰ অন্তত কাণেৰে কমকৈ শুনা হিমাংশুৰ সফলতা

**অনলাইন ফিচাৰ্ছ, ২৮ জানুৱাৰী:** কেতিয়াবা কিছুমান সফলতাৰ কাহিনীয়ে শিঁহৰিত কৰে পঢ়ুৱৈ বা শ্ৰোতাক। কিছু কিছু কাহিনীয়ে বছৰ বছৰ ধৰি অনুপ্ৰাণিত কৰে উঠি অহা প্ৰজন্মক। তেনে এক কাহিনীৰেই ইতিহাস ৰচিবলৈ সক্ষম হ'ল এগৰাকী বধিৰ যুৱকে। জীৱন যুদ্ধত পৰাজয় বৰণ নকৰি বাৰে বাৰে বিফলতাৰ সন্মুখীন হৈও অৱশেষত বিজয় হ'ল হিমাংশু নামৰ বিশেষভাৱে সক্ষম এই যুৱক। দেশৰ আটাইতকৈ কঠিনতম পৰীক্ষা হিচাপে পৰিচিত কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত সফলতা অৰ্জন কৰি এতিয়া এগৰাকী নায়ব তেহচিলদাৰ হিচাপে কৰ্তব্যৰত হৈছে হিমাংশু। উল্লেখ্য যে, দুই কাণেৰে কমকৈ শুনা হিমাংশুৱে আৰ এ এছ আৰু আই এ এছ পৰীক্ষাত একেৰাহে ১৬ বাৰ অৱতীৰ্ণ হৈও ব্যৰ্থ হ'বলগীয়া হৈছিল। কিন্তু তাৰ পিছতো প্ৰতিকূল পৰিস্থিতিৰ সন্মুখত মূৰ দোৱাবলৈ ৰাজি নোহোৱা হিমাংশুৱে অধিক কঠোৰ পৰিশ্ৰম আৰু অধ্যাৱসায়েৰে ১৭ নম্বৰ প্ৰচেষ্টাত সাফল্য অৰ্জন কৰে। এই সফলতা অৰ্জনৰ পিছতে হিমাংশুৱে কয়, "বহু সময়ত মই অনুভৱ কৰিছিলো যে জ্যেষ্ঠ বিষয়াসকলৰ মাজত কাম কৰাটো মোৰ বাবে কঠিন হ'ব, কিন্তু এতিয়া তেওঁলোকৰ সহায় আৰু সমৰ্থনে মোক আত্মবিশ্বাসী কৰি তুলিছে। এদিন মোৰ এনে অনুভৱ হৈছিল যে মই এই পৃথিৱীত কেৱল মাত্ৰ এক আৱৰ্জনা। কিন্তু এতিয়া এই সংগ্ৰামত জয়ী হৈ মই দুগুণ উৎসাহেৰে কাম কৰিবলৈ সক্ষম হৈছো।"

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান